**NSD NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-08-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি গুৱাহাটীত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামৰ ৰাজধানী আইজলত ৯হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

৩। প্ৰধানমন্ত্ৰীয়ে আজি মণিপুৰৰ চূড়াচান্দপুৰত গোষ্ঠী সংঘৰ্ষত গৃহহাৰা হোৱা একাংশ লোকক সাক্ষাৎ কৰে। তেওঁ চূড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত ভাষণ দিব।

৪। নীতিশ কুমাৰ বিহাৰৰ মুখ্যমন্ত্ৰী পদৰ এন ডি এৰ প্ৰাৰ্থী হ'ব বুলি ৰাজ্যখনৰ জ্যেষ্ঠ বিজেপি নেতা তথা উপমুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে ঘোষণা কৰিছে। **আৰু**

৫। হংকং অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ সাত্বিকচাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটিয়ে পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি বিয়লি গুৱাহাটীলৈ আহিব। তেওঁ বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত ভূপেন হাজৰিকাৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিৱেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটোৱাৰ পাছত কাইলৈ মঙলদৈলৈ যাব। তাত তেওঁ প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় , এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। কাইলৈ তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ

কৰিবলগীয়া নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড় লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰী যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰ হৈ কলকাতালৈ অভিমুখে যাব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামৰ ৰাজধানী আইজলত ৯হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। ইয়াৰ ভিতৰত ৰে'লৱে, পথ, ঘাইপথ, শক্তি আৰু ক্ৰীড়াকে ধৰি বিভিন্ন ক্ষেত্ৰৰ প্ৰকল্প আছে। প্ৰধানমন্ত্ৰী মোদীয়ে নৱ নিৰ্মিত **বেইৰবী-চাইৰাং** ৰে'লপথ উদ্বোধন কৰি আইজলক ভাৰতীয় ৰে'লৱেৰ সৈতে আনুষ্ঠানিকভাৱে সংযোগ কৰে। তেওঁ ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা **বেইৰবী-চাইৰাং** নতুন ৰে'লপথত তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰো শুভাৰম্ভ কৰে। চাইৰাং-দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং-গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং—ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ ৰে'লগাড়ীয়ে দেশৰ অন্যান্য অংশৰ সৈতে মিজোৰামৰ যোগাযোগৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি শ্ৰী মোদীয়ে কয় যে আজিৰ দিনটো সমগ্ৰ দেশৰ বাবে বিশেষকৈ মিজোৰামৰ জনসাধাৰণৰ বাবে এটা ঐতিহাসিক দিন। তেওঁ কয় যে ৰাজধানী এক্সপ্ৰেছৰ জৰিয়তে চাইৰাং প্ৰথমবাৰৰ বাবে দিল্লীৰ সৈতে পোনপটীয়াকৈ সংযোজিত হ'ব। এতিয়াৰে পৰা মিজোৰামৰকৃষক আৰু ব্যৱসায়ীসকল দেশৰ বিভিন্ন বজাৰৰ সৈতেসংযুক্ত হ'ব। ইয়াৰ ফলত বিভিন্ন ক্ষেত্ৰত নিয়োগৰ সুযোগ সৃষ্টি হ'ব বুলিও প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে ভাৰত বৰ্তমান বিশ্বৰ আটাইতকৈ খৰটকীয়া বিকশিত অৰ্থনীতি আৰু উত্তৰ-পূৰ্বাঞ্চল সম্প্ৰতি দেশৰ বিকাশৰ ইঞ্জিন হিচাপে চিহ্নিত হৈছে। মিজোৰামে এক্ট ইষ্ট পিলিচি আৰু অভিলাসী উত্তৰ-পূব ক'ৰিড'ৰৰ ক্ষেত্ৰত অন্যতম প্ৰধান ভূমিকা গ্ৰহণ কৰিব বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। বিগত ১১ বছৰত উত্তৰ-পূবৰ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কৰি অহা কাম-কাজৰো তেওঁ খতিয়ান দিয়ে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সকলোধৰণৰ যোগাযোগ ব্যৱস্থা সুচল আৰু শক্তিশালী কৰি তোলাত গুৰুত্ব দিছে। তেওঁ কয় যে জি এছ টি সংস্কাৰেৰে চৰকাৰে জীৱন ধাৰণৰ মান উন্নত কৰাৰ লগতে ব্যৱসায় সহজ কৰি তোলাৰ বাবে কাম কৰিছে। প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত দেশৰ বিকাশৰ হাৰ ৭ দশমিক ৮ শতাংশ হৈছে। অপাৰেচন সিন্দুৰৰ উল্লেখেৰে প্ৰধানমন্ত্ৰীয়ে কয় যে এই অভিযানৰ জৰিয়তে সন্ত্ৰাসৰ পৃষ্ঠপোষকসকলক ভাৰতৰ সেনাই কিদৰে উপযুক্ত শিক্ষা দিলে, সেয়া দেশবাসীয়ে দেখিবলৈ পালে।

এই অভিযানত দেশীয়ভাৱে নিৰ্মিত অস্ত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বুলিও তেওঁ প্ৰকাশ কৰে।

অনুষ্ঠানত অংশ লৈ ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে ৪৫টা সুৰংগ আৰু ৫৫খন বৃহৎ দলঙেৰে **বেইৰবী-চাইৰাং** ৰেলপথৰ নিৰ্মাণ কাৰ্য অত্যন্ত প্ৰত্যাহ্বানমূলক আছিল। তেওঁ কয় যে এই ৰেলপথে এতিয়া মিজোৰামক গুৱাহাটী, কলকাতা, দিল্লীকে ধৰি দেশৰ গুৰুত্বপূৰ্ণ স্থানসমূহৰ সৈতে সংযোজিত কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মিজোৰামত লাংলায়-চিয়াহা পথত ছিমতুইপুই নদীৰ ওপৰত নিৰ্মাণ কৰা দলঙৰো আধাৰশিলা স্থাপন কৰে।

আইজলৰ পৰা প্ৰধানমন্ত্ৰী মণিপুৰলৈ যায়। যোৱা প্ৰায় দুবছৰ ধৰি গোষ্ঠী সংঘৰ্ষত জৰ্জৰিত ৰাজ্যখনলৈ এই সময়ছোৱাত এয়া হৈছে তেওঁৰ প্ৰথমটো ভ্ৰমণ। আইজলৰ পৰা পোনে পোনে ইম্ফলত উপস্থিত হৈ তেওঁ স্থলপথেৰে চূড়াচান্দপুৰলৈ যায়। তাত তেওঁ গোষ্ঠা সংঘৰ্ষত গৃহহাৰা হোৱা একাংশ লোকক সাক্ষাৎ কৰে। বহুকেইগৰাকী শিশু আৰু অন্যান্য লোকে তেওঁক ফুলৰ টোৰা আদিৰে আদৰণি জনোৱাৰ লগতে এগৰাকী কনমানিয়ে নিজে অংকন কৰা প্ৰধানমন্ত্ৰীৰ প্ৰতিচছবি উপহাৰ দিয়ে। চূড়াচান্দপুৰত

প্ৰধানমন্ত্ৰীয়ে এখন জনসভাত অংশগ্ৰহণ কৰিব। চূড়াচান্দপুৰৰ পাছত তেওঁ ইম্ফললৈ যাব আৰু তাতো এখন জনসভাত অংশগ্ৰহণ কৰিব। মণিপুৰত তেওঁ ৮ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিছে।

oooooo

নীতিশ কুমাৰ বিহাৰৰ মুখ্যমন্ত্ৰী পদৰ এন ডি এৰ প্ৰাৰ্থী হ'ব বুলি ৰাজ্যখনৰ জ্যেষ্ঠ বিজেপি নেতা তথা উপমুখ্যমন্ত্ৰী সম্ৰাট চৌধাৰীয়ে ঘোষণা কৰিছে। আকাশবাণীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত শ্ৰীচৌধাৰীয়ে কয় যে বিজেপি নেতৃত্বৰ এন ডি এৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ ওপৰত পূৰ্ণ আস্থা আছে আৰু তেওঁৰ নেতৃত্বতে এন ডি এ বিধানসভা নিৰ্বাচনত অৱতীৰ্ণ হ'ব। নিৰ্বাচনত ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ বিষয়টোৰে কোনো প্ৰভাৱ নেপেলায় বুলি দাবী কৰি উপমুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই বিষয়টোক লৈ বিৰোধীয়ে জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰি আছে। বিধানসভা নিৰ্বাচনত এন ডি এৰ উন্নয়নমূলক কৰ্মৰাজিৰ মূল বিষয় হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বাধীনতা দিৱসত ঐতিহাসিক লাল কিল্লাৰ প্ৰাচীৰৰ পৰা পোহৰৰ উৎসৱ দিপাৱলীৰ ভিতৰত পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ কথা ঘোষণা কৰিছিল। তেওঁৰ এই দৃষ্টিভংগী বাস্তৱায়িত কৰি ৩ ছেপ্তেম্বৰত জি এছ টি পৰিষদে জনসাধাৰণৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে ভালেমান খণ্ডত আৰোপিত কৰ হ্ৰাস কৰিছিল আৰু একাংশ খণ্ডৰ কৰৰ বিলুপ্তি সাধন কৰিছিল।

পৰৱৰ্তী প্ৰজন্মৰ জি এছ টি সংস্কাৰৰ জৰিয়তে চৰকাৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ পৰা সামগ্ৰী আৰু সেৱা কৰ বিলুপ্ত কৰি জনসাধাৰণৰ কৰৰ বোজা লাঘব কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ লৈছে। এই নতুন ব্যৱস্থাৰ অধীনত ফলমূল, শাকপাচলি, বাদাম আৰু ফলৰ ৰসকে ধৰি উপভোক্তা

সামগ্ৰীৰ জি এছ টি ১২ শতাংশৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। নিমকী, ভূজিয়াৰ দৰে মুখৰোচক সামগ্ৰীৰ জি এচ টিও ১২ ৰপৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে। একেদৰে কেণ্ডী, টফী, জেলীৰ দৰে চেনি মিহলি সামগ্ৰীসমূহৰ জি এছ টি ১৮ ৰ পৰা ৫ শতাংশলৈ হ্ৰাস কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নেপালৰ তদৰ্থ চৰকাৰৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত সুশীলা কাৰ্কীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে নেপালৰ জনসাধাৰণৰ শান্তি. প্ৰগতি আৰু সমৃদ্ধিৰ প্ৰতি ভাৰত সদায় প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০

ৰাছিয়াৰ পূব উপকূলৰ কামছাটকা অঞ্চলত আজি পুৱা ৭ দশমিক ৪ ৰিখটাৰ স্কেল প্ৰাবল্যৰ এটা বৃহৎ ভূমিকম্পৰ জোকাৰণি অনুভুত হয়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূ-তাত্ত্বিক অধ্যয়নৰ তথ্য অনুসৰি ভূমিকম্পটোৰ অভিকেন্দ্ৰ আছিল কামছাটকা অঞ্চলৰ প্ৰশাসনিক কেন্দ্ৰ পেট্ৰ'পেভল'ভস্ক-কামছাটস্কিৰ ভূপৃষ্ঠৰ ৩৯ দশমিক ৫ কিলোমিটাৰ গভীৰত। ভূমিকম্পটোৰ পাছতে ছুনামীৰ সতৰ্কীকৰণ জাৰি কৰা হৈছে।

০০০০০

ভাৰতে ২০২৭ ত পঞ্চম উপকূল ৰক্ষক গোলকীয় সন্মিলনৰ বাবে নিবিদা লাভ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতীয় উপকূল ৰক্ষকে প্ৰকাশ কৰা মতে ইটালীৰ ৰোমত কালি চতুৰ্থ উপকূল ৰক্ষক গোলকীয় সন্মিলনত এই কথা ঘোষণা কৰা হয়। এই সন্মিলনত ভাৰতীয় উপকূল ৰক্ষকৰ সঞ্চালক প্ৰধান পৰমেশ শিবামণিয়ে ভাৰতৰ প্ৰতিনিধিসকলক নেতৃত্ব দিয়ে। সন্মিলনত ১১৫ খন দেশ আৰু সংস্থাই গোলকীয় উপকূল ৰক্ষককৰ সহযোগিতা সন্দৰ্ভত আলোচনা কৰে। ০০০

হংকং অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ সাত্বিকচাইৰাজ ৰণকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ

যুটিয়ে পুৰুষৰ ডাৱলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটীটোৱে আজি পুৱা ছেমি ফাইনেলত

চাইনিজ টাইপেইৰ চেন চেং কোৱান আৰু লীন বিং ৱেইক ২১-১৭, ২১-১৫ গেমত পৰাস্ত কৰে।

ইপিনে পুৰুষৰ ছিংগলছৰ ছেমিফাইনেলত আজি বিয়লি লক্ষ্য সেন চাইনিজ টাইপেইৰ চাও টিয়েন সেনৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি ৪ বাজি ১০ মিনিটত আৰম্ভ হ'ব। ০০০

০০০